# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৬/২০২০

**শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বৈঠক**

**শংকৰদেৱৰ জন্মোৎসৱ পোনপ্ৰথমবাৰৰ বাবে চৰকাৰী ভাবে উদ্‌যাপন কৰিব ৰাজ্য চৰকাৰে**

**শংকৰদেৱৰ জন্ম জয়ন্তীৰ দিনটোক ৰাষ্ট্ৰীয় বন্ধ হিচাপে ঘোষণা কৰা আৰু এন চি আৰ টি পাঠ্যক্ৰমত শংকৰদেৱ সম্পৰ্কীয় পাঠ অন্তৰ্ভূক্ত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিব ৰাজ্য চৰকাৰে**

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বাবে অতিৰিক্ত ৩৫০ বিঘা ভূমিৰ ব্যৱস্থা কৰিবলৈ নগাওঁ জিলাৰ উপায়ুক্তক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**দিছপুৰ, ৬ জানুৱাৰী ঃ** আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিনিধিৰ এক বৈঠক অনুষ্ঠিত হয়। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰীয়ে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পোনপ্ৰথমবাৰৰ বাবে চৰকাৰী ভাবে উদ্‌যাপন কৰা হ'ব বুলি কয়। শ্ৰীমন্ত শংকৰদেৱৰ জন্ম জয়ন্তীৰ দিনটোক ৰাষ্ট্ৰীয় বন্ধ হিচাপে ঘোষণা কৰা আৰু এন চি আৰ টি পাঠ্যক্ৰমত শংকৰদেৱ সম্পৰ্কীয় পাঠ অন্তৰ্ভূক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে অতি শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বাবে নগাওঁ জিলাত অতিৰিক্ত ৩৫০ বিঘা ভূমিৰ ব্যৱস্থা কৰিবলৈ নগাওঁ জিলাৰ উপায়ুক্তক মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে নিৰ্দেশ দিয়ে।

বৈঠকত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিনিধি সকলে মুখ্যমন্ত্ৰীক অৱগত কৰে যে সংঘই ৫৬ খন বিদ্যালয় আৰু ৪ খন মহাবিদ্যালয় নিজা পুঁজিৰে পৰিচালিত কৰি আহিছে। এই ক্ষেত্ৰত সংঘৰ প্ৰতিনিধি সকলে চৰকাৰী অনুদান আগবঢ়াবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে শিক্ষা বিভাগক আৰ্থিক সাহায্য প্ৰদানৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। সংঘৰ প্ৰতিনিধি সকলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় ৰাজহুৱা আৰু বেচৰকাৰী অংশীদাৰিত্বৰে পৰিচালিত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত বিবেচনা কৰিব বুলিও আশ্বাস প্ৰদান কৰে। আনহাতে, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আগন্তুক অধিৱেশনৰ বাবে উপ-ৰাষ্ট্ৰপতিক আমন্ত্ৰণ কৰিবলৈ সংঘই সিদ্ধান্ত লৈছে বুলি উল্লেখ কৰি এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সহযোগিতা বিচাৰে। মুখ্যমন্ত্ৰীয়ে উপ-ৰাষ্ট্ৰপতিক আমন্ত্ৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলিও কয়। প্ৰতিনিধি সকলে লগতে সংঘৰ বাবে এক কৰ্পাচ ফাণ্ডৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলিও আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ইতিমধ্যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাৰ উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। আনহাতে, বটদ্ৰৱালৈ যোৱা পথটো বহল কৰাৰ বাবেও গড়কাপ্তানি বিভাগক নিৰ্দেশ দিয়া হৈছে। এই কাম সম্পূৰ্ণ হৈ উঠিলে বিশ্ববিদ্যালয়লৈ যাতায়াত ব্যৱস্থাও সুচলতৰ হৈ উঠিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই বৈঠকত শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিং, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া, মুখ্যমন্ত্ৰীৰ সচিব ৰঞ্জন চক্ৰৱৰ্তী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মুখ্য উপদেষ্টা ভৰেন্দ্ৰ নাথ ডেকা, পদাধিকাৰ কমলাকান্ত গগৈ, উপ-পদাধিকাৰ বসুন্ধৰ ডেকা, যুটীয়া সম্পাদক কুশল ঠাকুৰীয়া উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**৬/১/২০২০**